# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৩৭৪/২০২০

## যোৰহাটৰ কাকডোঙাত স্থাপন কৰা স্ক্ৰীণিং চেণ্টাৰ আৰু কাজিৰঙা বিশ্ববিদ্যালয়ত থকা কোৱাৰেণ্টাইন চেণ্টাৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২১ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ক'ভিড-১৯ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত যোৰহাটৰ কাকডোঙাস্থিত বৰষা ৰিজৰ্টত আন্তঃৰাজ্যিক যাত্ৰীৰ বাবে স্থাপন কৰা স্ক্ৰীণিং চেণ্টাৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ জোৱানসকলৰ সৈতে মত-বিনিময় কৰে। যোৰহাট জিলাৰ উপায়ুক্তগৰাকীয়ে এই স্ক্ৰীণিং চেণ্টাৰত গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৱলী সম্পৰ্কে মুখ্যমন্ত্ৰীক অৱগত কৰে। উল্লেখ্য যে এই স্ক্ৰীণিং চেণ্টাৰত এতিয়ালৈকে ২৪৪১ গৰকী বাহিৰৰ পৰা অহা ব্যক্তিক স্ক্ৰীণিং কৰা হৈছে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে লক্‌ডাউনৰ সময়ত বিভিন্ন ৰাজ্যত অসমৰ লোকসকল আৱদ্ধ হৈ পৰিছিল। এই লোকসকল বৰ্তমান অসমলৈ উভতি আহিবলৈ ধৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে ৫ টা ৰিজ'নেল স্ক্ৰীণিং চেণ্টাৰ স্থাপন কৰিছে। যোৰহাটৰ এই স্ক্ৰীণিং চেণ্টাৰটোৱে তিনিচুকীয়া, ডিব্ৰুগড়, মাজুলী, যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাক সামৰি লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত ক'ভিড-১৯ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে স্বাস্থ্য বিভাগে সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ ৰাইজেও এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী সংগঠনসমূহেও এই কঠিন সময়ত সহযোগিতা আগবঢ়াই আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ প্ৰতিটো সমষ্টি, পঞ্চায়ত, ব্লক পৰ্যায়ত কোৱাৰেণ্টাইন চেণ্টাৰ গঠন কৰা হৈছে। সাংসদ, বিধায়ককে ধৰি জনপ্ৰতিনিধিসকলে এই ক্ষেত্ৰত দায়িত্ব সহকাৰে কাম কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই কঠিন সময়ত আমাৰ মনোবল বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আছে। দৃঢ়তা আৰু সুদৃঢ় মনোবলেৰে এই ভাইৰাছক পৰাভূত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা যুঁজৰ সমান্তৰালভাৱে অৰ্থনৈতিক গতি ত্বৰান্বিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিভিন্ন শ্ৰেণীৰ জনসাধাৰণে ইতিমধ্যে কৰ্মপথাৰত নামি পৰিছে। অৰ্থনৈতিক ক্ষেত্ৰখনত আমি শক্তিশালী বুনিয়াদ গঠন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে কাজিৰঙা বিশ্ববিদ্যালয়ত স্থাপন কৰা কোৱাৰেণ্টাইন চেণ্টাৰলৈ গৈ এই সন্দৰ্ভত গ্ৰহণ কৰা ব্যৱস্থাৱলীৰো বুজ লয়। কোৱাৰেণ্টাইন চেণ্টাৰ পৰিদৰ্শনৰ সময়ত সাংসদ কামাখ্যা প্ৰসাত তাছা, বিধায়ক বিমল বৰা আৰু ভবেন ভৰালী, যোৰহাট জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়া আৰু কাজিৰঙা বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি উপস্থিত আছিল।

**পুঃডেঃ**
**২১/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in